# REGIONAL NEWS UNIT
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 29-09-2024
**Time :** 2125 Hrs

## *Assamese Night Bulletin*

**----------------------**

অসম চুক্তিৰ ৬ নম্বৰ দফা ৰূপায়ণ সন্দৰ্ভত অৱসৰপ্ৰাপ্ত বিপ্লৱ কুমাৰ শৰ্মা সমিতিৰ পৰামৰ্শৱলী ৰূপায়ণ সন্দৰ্ভত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহক সাক্ষাৎ কৰাৰ বাবে নতুন দিল্লীত উপস্থিত হৈছে। ইয়াৰ পূৰ্বে এই পৰামৰ্শৱলী সন্দৰ্ভত মুখ্যমন্ত্ৰীয়ে সদৌ অসম ছাত্ৰ সন্থাৰ প্ৰতিনিধি দলৰ সৈতে আলোচনাত মিলিত হৈছিল। উল্লেখযোগ্য যে এই প্ৰতিবেদনৰ মুঠ ৬৭টা পৰামৰ্শৰ ভিতৰত ৫২টা পৰামৰ্শ ৰূপায়ণ কৰাটো ৰাজ্য চৰকাৰৰ ক্ষমতাৰ আওতাত পৰা হেতুকে অহা বছৰৰ এপ্ৰিলৰ ভিতৰত এই পৰামৰ্শসমূহ ৰূপায়ণ কৰা হ'ব বুলি মুখ্যমন্ত্ৰীয়ে ইতিপূৰ্বে প্ৰকাশ কৰিছে। বাকী থকা ১৫টা পৰামৰ্শ সম্পূৰ্ণ ৰূপে কেন্দ্ৰীয় চৰকাৰৰ অধীনত থকা হেতুকে এই সন্দৰ্ভত গৃহমন্ত্ৰী গৰাকীৰ সৈতে মুখ্যমন্ত্ৰীযে আলোচনা কৰিব বুলি প্ৰকাশ কৰিছে।

মুখ্যমন্ত্ৰীয়ে আজি কেন্দ্ৰীয় পথ পৰিবহন আৰু ৰাষ্ট্ৰীয় ঘাইপথ মন্ত্ৰী নীতিন গাডকাৰীক সাক্ষাৎ কৰি যোৰহাট-মাজুলী সংযোগী নিৰ্মীয়মান দলঙৰ কাম পুনৰ আৰম্ভ কৰাৰ বাবে অনুৰোধ জনায়। তেওঁ দলংখনৰ কাম যথাসম্ভৱ সোনকালে আৰম্ভ কৰাৰ বাবে মন্ত্ৰীগৰাকীক আহ্বান জনায়। সামাজিক মাধ্যমযোগে মুখ্যমন্ত্ৰীয়ে মাজুলীবাসী ৰাইজক এই দলংখন সোনকালে সম্পূৰ্ণ হ'ব বুলি আশ্বাস দিয়ে। উল্লেখযোগ্য যে দলংখনৰ কাম কিছুদিন ধৰি বন্ধ হৈ থকাৰ সন্দৰ্ভত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই অলপতে উদ্বেগ প্ৰকাশ কৰাৰ উপৰি শ্ৰীগাডকাৰীলৈ পত্ৰযোগে দলঙৰ কাম পুনৰ আৰম্ভ কৰিবলৈ অনুৰোধ জনাইছিল।

০০০০

এখন স্বচ্ছ আৰু নিকা ভাৰতবৰ্ষ গঢ়ি তোলাৰ লক্ষ্যৰে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আৰম্ভ কৰা স্বচ্ছতাই সেৱা অভিযান ৰাজ্যৰ বিভিন্ন প্ৰান্তত ৰূপায়ণ কৰা হৈছে। অসমত এই পৰ্যন্ত ৩৩খন জিলাৰ ৪৩ হাজাৰৰো অধিক বিদ্যালয়ৰ ৩৯ লাখৰো অধিক ছাত্ৰ-ছাত্ৰীয়ে এই অভিযানত অংশগ্ৰহণ কৰিছে। এই অভিযানৰ অধীনত বিদ্যালয় চৌহদসমূহ পৰিস্কাৰ কৰাৰ পদক্ষেপ লোৱা হৈছে। আনহাতে, অহা ১ অক্টোবৰৰ পুৱা ১০ বজাৰ পৰা এঘণ্টাজোৰা শ্ৰম দান কাৰ্যসূচীত অংশগ্ৰহণ কৰাৰ বাবে ৰাজ্যৰ গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা মন্ত্ৰী অশোক সিংহালে জনসাধাৰণৰ প্ৰতি আহ্বান জনায়।

০০০০০০

অগ্নিবীৰসকলক এই কামৰ পৰা অব্যাহতি লোৱাৰ পাছত পেঞ্চন লাভ কৰিব পৰাকৈ একোটা চাকৰিত নিয়োজিত কৰা হ'ব বুলি কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে ঘোষণা কৰিছে। তেওঁ লগতে কোনো ধৰণৰ সংকোচ অবিহনে নিজৰ সন্তানক অগ্নিবীৰ হিচাপে দেশৰ সেনাবাহিনীলৈ প্ৰেৰণ কৰিবলৈ জনসাধাৰণৰ প্ৰতি আহ্বান জনাইছে। আজি গুৰগাঁৱত আয়োজিত এটা অনুষ্ঠানত এই বিষয়ে প্ৰকাশ কৰি শ্ৰীশ্বাহে কয় যে ভাৰতীয় সেনাবাহিনীক যুৱ শক্তিৰে অধিক শক্তিশালী কৰি তুলিবলৈ অগ্নিবীৰ আঁচনি ৰূপায়ণ কৰা হৈছে।

oooooo

কাছাৰ জিলা আৰক্ষীয়ে চোৰাংচোৱাৰ পৰা লাভ কৰা তথ্যৰ ভিত্তিত অভিযান চলাই কাটিগড়া অঞ্চলত মাদক দ্ৰব্য সহ দুজন সৰবৰাহকাৰীক গ্ৰেপ্তাৰ কৰিছে। লোক দুজনৰ পৰা নিচাযুক্ত টেবলেটৰ ৪৯টা পেকেট জব্দ কৰা হৈছে। জব্দ কৰা মাদক দ্ৰব্যৰ মূল্য প্ৰায় ৩ কোটি টকা হ'ব বুলি আৰক্ষীয়ে অনুমান কৰিছে। আৰক্ষীৰ লগতে এই সামগ্ৰীসমূহ পৰিবহনৰ বাবে ব্যৱহৃত এখন বাহনো জব্দ কৰে।

ooooooo

ভূ-প্ৰশাসনৰ অন্তৰ্গত বিভিলন্ন সেৱা আৰু তৃতীয় পৰ্যায়ৰ মিছন বসুন্ধৰাৰ বিষয়ে সজাগতা সৃষ্টি কৰিবলৈ আৰু যোৰহাটৰ পিতাম্বৰ দেৱগোস্বামী প্ৰেক্ষাগৃহত এখন ৰাজহ সন্মিলন অনুষ্ঠিত হয়। এই সন্মিলনত জিলাখনৰ আয়ুক্তৰ লগতে প্ৰশাসনীয় বিষয়াসকল, ৰাজহ চক্ৰ বিষয়া, ভূমি লেখ সহায়ক, মৌজাদাৰ আৰু গাঁও প্ৰধানসকল উপস্থিত থাকে। বৈঠকত জিলাখনৰ আয়ুক্তই তৃতীয় পৰ্যায়ৰ মিছন বসুন্ধৰা নিয়াৰিকৈ সম্পন্ন কৰাৰ বাবে সকলোকে আহ্বান জনায়।

ooooooo

বিশেষভাৱে সক্ষম লোকসকলৰ সহায় হোৱাকৈ ভাৰতীয় সাংকেতিক ভাষাৰ শব্দকোষত গণিত, বিজ্ঞান আৰু অন্যান্য শৈক্ষিক ক্ষেত্ৰসমূহৰ বিভিন্ন বিষয়বস্তু সামৰি প্ৰায় ২ হেজাৰ ৫শ নতুন শব্দ সংযোজন কৰা হৈছে। প্ৰতিবন্ধী ব্যক্তি সৱলীকৰণ বিভাগৰ অধীনস্থ ভাৰতীয় সাংকেতিক ভাষা গৱেষণা আৰু প্ৰশিক্ষণ কেন্দ্ৰই ৪ টা অন্যান্য সহযোগী সংস্থাৰ সহায় লৈ এই নতুন শব্দৰাজি সাংকেতিক শব্দকোষত সংযোজন কৰিছে। ২০১৮ চনত আন্তৰাষ্ট্ৰীয় বধিৰ সপ্তাহৰ অংশস্বৰূপে উন্মোচনৰ পাছৰ পৰাই সাংকেতিক ভাষাৰ এই শব্দকোষে মুকবধিৰ আৰু অন্যান্য শ্ৰৱনেন্দ্ৰীয়ৰ ক্ষেত্ৰত সীমাবদ্ধতা থকা শিক্ষাৰ্থীসকলৰ সুবিধা হোৱাকৈ কাম কৰি আহিছে। উল্লেখযোগ্য যে বিশ্বজুৰি ৭ কোটিতকৈ অধিক মুকবধিৰ লোক আছে আৰু ইয়াৰে ৮০ শতাংশতকৈ অধিক লোকে উন্নয়নশীল দেশসমূহত বাস কৰে। ভাৰতৰ দৰে উন্নয়নশীল দেশত ৩০০ ৰো অধিক সাংকেতিক ভাষাৰ ব্যৱহাৰ হয়। উল্লেখযোগ্য যে সাংকেতিক ভাষা শব্দকোষ ষষ্ঠ স্তৰৰ শ্ৰৱণ ক্ষমতাহীন শিশুসকলক উদ্দেশ্যি প্ৰস্তুত কৰি উলিওৱা হৈছে। এই শব্দকোষৰ সৈতে সন্নিবিষ্ট ধাৰণাত্মক দৃশ্য-শ্ৰব্য সঁজুলিসমূহে গণিত আৰু বিজ্ঞানৰ দৰে বিষয়সমূহৰ বাখ্যা প্ৰদান কৰাৰ লগতে নীতি শিক্ষামূলক পাঠো প্ৰদান কৰে। এইসমূহৰ লগত ১০ টা আঞ্চলিক ভাষাও সন্নিবিষ্ট কৰা হৈছে।

ooooooo

মহাৰাষ্ট্ৰৰ নাছিকত অনুষ্ঠিত ইণ্ডিয়া টাইকোৱাণ্ডো প্ৰতিযোগিতাত অসমৰ ছগৰাকী খেলুৱৈয়ে পদক অৰ্জন কৰিছে। ইয়াৰে তিনিটা সোণৰ পদকেৰে কোকৰাঝাৰৰ তিনিগৰাকী খেলুৱৈয়ে গৌৰৱ অৰ্জন কৰিছে। আজি খেলুৱৈকেইগৰাকীক কোকৰাঝাৰত সম্বৰ্দ্ধনা জ্ঞাপন কৰা হয়। প্ৰতিযোগিতাত স্বৰ্ণ পদক অৰ্জন কৰা কোকৰাঝাৰৰ খেলুৱৈকেইগৰাকী হংকঙত হ'বলগীয়া আন্তঃৰাষ্ট্ৰীয় প্ৰশিক্ষণ শিবিৰলৈ আমন্ত্ৰিত হৈছে।

ooooooo

সমাপ্ত